# 2022

## ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসৱাদী কবিতা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) 'জোনাকী' আলোচনীত প্ৰকাশ পোৱা প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম কি?

(খ) ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল?

(গ) 'কদম কলি' কাব্যগ্ৰন্থখন কোনজন কবিৰ ৰচনা?

(ঘ) 'প্ৰতিমাৰ খনিকৰ' বুলি কোনজন কবিক কোৱা হয়?

(ঙ) ৰঘুনাথ চৌধাৰীৰ চৰাইক লৈ লিখা এখনি কাব্যগ্ৰন্থৰ নাম লিখা।

(চ) 'তত্ত্ব পাৰিজাত' নামৰ কাব্যগ্ৰন্থৰ ৰচয়িতা কোন?

(ছ) 'জোনাকী' আলোচনীখনৰ প্ৰথম প্ৰকাশৰ চনটো কিমান?

(জ) হেমচন্দ্ৰ গোস্বামীয়ে 'চনেট' ৰচনাৰ বাবে কোনজন বিদেশী কবিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল?

(ঝ) অসমীয়া সাহিত্যত কোনগৰাকী কবিক 'বিহগী' কবিৰূপে জনা যায়?

(ঞ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ট) 'শেৱালিৰ কবি'ৰূপে খ্যাত ৰত্নকান্ত বৰকাকতিয়ে ৰচনা কৰা এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঠ) অসমীয়া সাহিত্যত 'কথাকবিতা'ৰ সূচনা কৰা কবিগৰাকীৰ নাম কি?

(ড) শৈলধৰ ৰাজখোৱাৰ 'বিদায় পৰত' নামৰ কবিতাটি কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(ঢ) 'স্মৃতি তীৰ্থ' কোনগৰাকী কবিয়ে ৰচনা কৰা জীৱনীমূলক গ্ৰন্থ?

(ণ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'বিশ্ব শিল্পী' নামৰ কবিতাটি তেওঁৰ কোনখন গ্ৰন্থত আছে?

(ত) বিনন্দ চন্দ্ৰ বৰুৱাক কি কবিৰূপে জনা যায়?





(থ) 'মঞ্চলেখা' নামৰ গ্ৰন্থখন কোনগৰাকী সাহিত্যিকৰ অনবদ্য ৰচনা?

(দ) 'মোৰ জীৱন সোঁৱৰণ' নামৰ পুথিখনৰ প্ৰণেতা কোন?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) "কোনে কয় সেইটি হৰিণা পোৱালি
ইমান চেতনা নাই
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
দেওঁ দি দুবৰি খায়"

এই পংক্তিটি কোনটো কবিতাৰ আৰু কবিগৰাকীৰ নাম কি?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যপুথি দুখনৰ নাম কি কি?

(গ) অসমীয়া সাহিত্যত প্ৰথম চনেট ৰচোঁতা কোন আৰু তেওঁৰ প্ৰথম চনেটটোৰ নাম কি?

(ঘ) "আহিছা বিহগী আলচি মনত
কিবা পাম খাম বুলি,
লোভৰ বেহানি আছে আৰু বহু
যাব তোৰ মন ভুলি।"

এই পংক্তিটোৰ মাজেৰে কবিয়ে কাক, ক'লৈ অহাৰ কথা কৈছে?

(ঙ) 'বেদনাৰ উল্কা' নামৰ কাব্যপুথিৰ বাবে কোনগৰাকী কবিয়ে, কি বঁটা লাভ কৰিছিল?

(চ) ৰত্নকান্ত বৰকাকতিৰ 'বিশ্বহৰণ' কবিতাটিত অনুভূত হোৱা স্তৰ দুটা কি কি?

(ছ) 'বন ফুলৰ কবি'ৰূপে খ্যাত কবিগৰাকীৰ দুখন কাব্যপুথিৰ নাম উল্লেখ কৰা।

(জ) কবি নলিনীবালা দেৱীৰ জন্ম ক'ত আৰু কিমান চনত হৈছিল?

(ঝ) 'তামোলবাৰী চাহ বাগিচা'ত অসমৰ কোনগৰাকী শিল্পীৰ জন্ম হৈছিল আৰু তেওঁক কি নামেৰে জনা যায়?

(ঞ) 'লালকিল্লা' কবিতাটিত কবিয়ে ঈশ্বৰ বুলি কাক কৈছে, আৰু তেওঁক কিহৰ অধিপতি বুলি অভিহিত কৰিছে?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া সাহিত্যলৈ ৰমণ্যাসিক ভাৱধাৰা কঢ়িয়াই অনা আলোচনীখনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ৰমণ্যাসিক কবি হিচাবে লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) 'চনেট' কাক বোলে? এই কাব্যশৈলীৰ সাধাৰণ বিশেষত্বসমূহ কি কি, বিচাৰ কৰা।





(ঘ) 'কেতেকী' কবিতাটিত উল্লেখ থকা চৰাইজনীৰ মাত শুনি কবিৰ হৃদয়ত কি ভাৱৰ উদ্ৰেক হৈছিল, চমুকৈ লিখা।

(ঙ) 'বিশ্বহৰণ' কবিতাটোত প্ৰিয়তমাৰ আগমনৰ পিছত কবিৰ দৃষ্টিত প্ৰকৃতিৰ কি কি পৰিৱৰ্তনে ধৰা দিছিল, বিৱৰি লিখা।

(চ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাটিত সোণোৱালী দেশৰ ৰূপটি কিদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ছ) "শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যৰ।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত উক্ত কবিতাফাঁকিৰ তাৎপৰ্য বিচাৰ কৰা।

(জ) 'শাপমুক্তা' কবিতাটিৰ উৰ্বশী চৰিত্ৰটোৰ মাজেৰে কোনে, কিয় শাপমুক্ত হোৱাৰ কথা ক'ব বিচাৰিছে, চমুকৈ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্ত্তি বুলি কাক কোৱা হয়? তেওঁলোকৰ কাব্যকৃতিৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

(গ) 'ভ্ৰম' নামৰ কবিতাটিত কবিয়ে তেওঁৰ প্ৰিয়াৰ ৰূপমাধুৰী কেনেদৰে বৰ্ণনা কৰিছে, নিদৰ্শনসহ ব্যাখ্যা কৰা।

(ঘ) 'নিয়ৰ' নামৰ কবিতাটিত ৰোমাণ্টিক কবিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'কেতেকী' কবিতাটিৰ মাজেৰে কবি ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতিপ্ৰীতি কেনেদৰে প্ৰকাশিত হৈছে, তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(চ) ''যি দিন হন্তে
চকু ছাট মাৰি
তুমি উজলিলা মোৰ
সেই দিন ধৰি
যেন নিলা হৰি
তিল্ তিল্ ক'ই
সকলোবোৰ।''

এই কবিতাফাঁকিৰ অন্তৰালত থকা ভাৱটি বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা।

(ছ) 'সোণোৱালী দেশ' নামৰ কবিতাটিৰ মাজেৰে কবিৰ ৰহস্যবাদী ধাৰণা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।





(জ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংস্কৃতিক চেতনা 'বিশ্ব শিল্পী' কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰতিধ্বনিত হৈছে, বহলাই লিখা।

(ঝ) 'হে জননী ভাৰতবৰ্ষ' নামৰ কবিতাটোৰ জৰিয়তে কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশ প্ৰেমৰ ভাৱনা কেনেদৰে মূৰ্ত হৈ উঠিছে, বিশ্লেষণ কৰা।

(ঞ) ''লাল্‌কিল্লা তোৰণ দ্বাৰত
বহি মই আপোন ভাৰত
দেখা পালোঁ নৱ অভিনয়,
নিয়তিৰ গুপ্ত পৰিহাস
অতীতৰ লুপ্ত ইতিহাস
মোগলৰ ভাগ্য বিপৰ্যয়।''

এই কবিতাফাঁকিৰ অন্তৰ্নিহিত তাৎপৰ্য বুজাই লিখা।

***